# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-March-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

———————————————————

## HEADLINES
::::::::::::::::::

১। সমাগত বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান অব্যাহত। বিজেপিৰ দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ।

২। বিধানসভা নিৰ্বাচনৰ বাবে জিলাসমূহত কটকটীয়া নিৰাপত্তা ব্যৱস্থা। ঠায়ে ঠায়ে আৰক্ষীৰ তালাচী অভিযান।

৩। ৰাজ্যজুৰি ঈদ-উল-ফিটৰ উলহ-মালহেৰে পালন।

৪। ডমিনিক গণৰাজ্যত আয়োজিত অনলাইন বিশ্ব কবিতা মহোৎসৱত অসমৰ ছগৰাকী কবিৰ অংশগ্ৰহণ।

**আৰু**

৫। অৰ্লেন্স মাষ্টাৰ্ছ বেডমিণ্টনৰ মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত খন্তেক পাছতে অসমৰ ঈযাৰাণী বৰুৱা আৰু থাইলেণ্ডৰ পিটচামন অপাটনিপুথ মুখামুখি।

ooooo

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান চলাই থকাৰ লগতে মনোনয়ন দাখিল প্ৰক্ৰিয়াও অব্যাহত ৰাখিছে। পৰহিলৈ মনোনয়ন দাখিলৰ অন্তিম দিন। পৰহিলৈ অগপৰ বোকাখাত সমষ্টিৰ প্ৰাৰ্থী তথা মন্ত্ৰী অতুল বৰাকে ধৰি এন ডি এৰ কেইবাগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিব। মনোনয়ন দাখিল সন্দৰ্ভত শ্ৰীবৰাই এইদৰে কয়-

বাইট (অতুল বৰা)

কালি বিজেপিকে ধৰি কংগ্ৰেছ, ৰাইজৰ দল, অসম জাতীয় পৰিষদ, অসম গণ পৰিষদ, ইউ পি পি এল, বি পি এফকে ধৰি কেইবাটাও ৰাজনৈতিক দলৰ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ৰাজ্যখনৰ প্ৰায় আটাইকেইখন জিলাৰ কেইবাটাও সমষ্টিত কালি ১০৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। এতিয়ালৈকে ১১৬ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে।

ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই আজি মুদৈবড়ীত দলীয় কাৰ্যকৰ্তাৰ উপস্থিতি মণ্ডল কাৰ্যালয় উদ্বোধন কৰে। এই কাৰ্যসূচীত মঙলদৈৰ বিধায়ক প্ৰশান্ত দাস, টংলাৰ বিজেপিৰ মনোনীত প্ৰাৰ্থী বিকন চন্দ্ৰ ডেকাৰ লগতে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে। বিজেপিৰ নেতা তথা মন্ত্ৰী পীযুষ হাজৰিকাই আজি জাগীৰোডত মণ্ডল কাৰ্যালয় মুকলি কৰে। কংগ্ৰেছ দলৰ নেতা গৌৰৱ গগৈয়ে আজি মাজুলীত প্ৰচাৰ অভিযানত

অংশ লয়। বাক্সা জিলাৰ মানাহ বিধানসভা সমষ্টিৰ ইউ পি পি এল দলৰ প্ৰাৰ্থী জৌশ্ৰাং ব্ৰহ্মই আজি সমষ্টিটোৰ বিভিন্ন অঞ্চলত নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰচাৰৰ সময়ত বি টি আৰৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী ঘণশ্যাম দাস আৰু দলৰ শীৰ্ষ নেতা দয়াল শৰণীয়া উপস্থিত থাকে।

ooooo

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ভাৰতীয় জনতা পাৰ্টীয়ে আজি দ্বিতীয়খন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। প্ৰকাশিত তালিকা  অনুসৰি দলগাঁও সমষ্টিৰ বাবে সুশ্ৰী কৃষ্ণা সাহাক বিজেপিয়ে প্ৰাৰ্থীত্ব প্ৰদান কৰে। আনহাতে চিচিবৰগাঁও সমষ্টিত জীৱন গগৈক প্ৰাৰ্থীত্ব দিছে।

ooooo

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে প্ৰতিখন জিলাত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। সমান্তৰালভাৱে কামৰূপতো জিলা আৰু আৰক্ষী প্ৰশাসনে জিলাখনৰ ছটা বিধানসভা সমষ্টিৰ নিৰ্বাচন সুকলমে আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ ব্যৱস্থা হাতত লৈছে। জিলাখনৰ বিভিন্ন প্ৰান্তত আৰক্ষী জোৱানে দিনে-নিশাই তালাচী চলাইছে। জিলাখনত ৯টা অৰ্ধ সামৰিক বাহিনীয়ে একেলগ হৈ আৰক্ষীৰ লগত নিৰাপত্তাৰ দিশ চোৱাচিতা কৰিছে। জিলাখনৰ ছটা বিধানসভা সমষ্টিৰ এহেজাৰ ৫৫৫টা ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত স্পৰ্শকাতৰ হিচাপে চিহ্নিত কেন্দ্ৰসমূহত উপস্থিত হৈ জিলা আয়ুক্ত দেৱকুমাৰ মিশ্ৰ আৰু আৰক্ষী অধীক্ষক শুভাশিষ বৰুৱাই তন্নতন্নকৈ তদাৰক কৰিছে। এই সন্দৰ্ভত অতিৰিক্ত আৰক্ষী অধীক্ষক পুনম পেগুৱে এইদৰে কয়-

(বাইট)

ইপিনে, বিধানসভা নিৰ্বাচন সংক্ৰান্তীয় যিকোনো অভিযোগ আৰু তথ্য ৰাইজে দাখিল কৰিব পৰাকৈ বৰপেটা জিলা প্ৰশাসনে নিয়ন্ত্ৰণ কক্ষ সহ ফোন নম্বৰ মুকলি কৰিছে। জিলা প্ৰশাসনে জাননী যোগে উল্লেখ কৰা অনুসৰি নিৰ্বাচন সম্পৰ্কীয় যিকোনো তথ্য আৰু অভিযোগ টোল-ফ্ৰী নম্বৰ- ১৯৫০ৰ জৰিয়তে দিব পাৰিব। তদুপৰি ৯১৮১১৭৩৯৫৪ আৰু ৯৮৬৪৬ ৪৩০৮৯ নম্বৰ দুটাৰ জৰিয়তেও অভিযোগ আৰু তথ্য অৱগত কৰিব পাৰিব।

গোৱালপাৰা জিলা আৰু আৰক্ষী প্ৰশাসনেও সমাগত বিধাসভা নিৰ্বাচনৰ বাবে সাজু হৈ উঠিছে। আৰক্ষী জোৱানসকলে জিলাখনৰ পাঁচটা স্থানত ৰুটমাৰ্চ কৰে। এই সন্দৰ্ভত জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তই এইদৰে কয়।

(বাইট)

তামুলপুৰ আৰক্ষী প্ৰশাসনেও নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত তৎপৰ হৈ পৰা পৰিলক্ষিত হৈছে। জিলাখনৰ তামুলপুৰ আৰু গোৰেশ্বৰ বিধানসভা সমষ্টিত স্বচ্ছ, নিকা আৰু শান্তিপূৰ্ণভাৱে নিৰ্বাচন অনুষ্ঠিত কৰাৰ লক্ষ্যৰ আজি আৰক্ষী আৰু এছ এছ বিৰ জোৱানসকলে যুটীয়াভাৱে ফ্লেগমাৰ্চ কাৰ্যসূচী ৰূপায়ণ কৰে। তামুলপুৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুমন চক্ৰৱৰ্তী আৰু তামুলপুৰ থানাৰ  ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত এই সমদল উলিওৱা হয়। উল্লেখযোগ্য যে তামুলপুৰ আৰক্ষীয়ে বৰ্তমান জিলাখনৰ প্ৰতিটো গুৰুত্বপূৰ্ণ পথত দিনে-নিশাই তালাচী চলাইছে।

বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নলবাৰী জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে জিলাখনৰ সকলো চৰকাৰী কাৰ্যালয়, বেংক, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আদি দেওবাৰ আৰু অন্য চৰকাৰী বন্ধৰ দিনটো খোলা ৰখাৰ

নিৰ্দেশ জাৰি কৰিছে। জৰুৰী নিৰ্বাচনী চিঠি-পত্ৰ গ্ৰহণ কৰিবৰ বাবে অন্ততঃ এজন কাৰ্যালয়ৰ সহায়ক আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰী নিজ নিজ কাৰ্যালয়ত বন্ধৰ দিনটো উপস্থিত থাকিবলৈ নিৰ্দেশনাটোত কোৱা হৈছে। নিৰ্বাচনী কামকাজ অন্ত নপৰালৈকে এই নিৰ্দেশনা বাহাল থাকিব।

ooooo

ৰাজ্যজুৰি আজি পৱিত্ৰ ঈদ-উল-ফিটৰ উলহ মালহেৰে পালন কৰা হয়। মাহ জোৰা ৰোজাৰ অন্তত ইছলাম ধৰ্মাৱলম্বী লোকসকলে ঈদ-উল-ফিটৰ পালন কৰে। ঈদ উপলক্ষে আজি ঈদগাহ আৰু মছজিদসমূহত পৱিত্ৰ নামাজ অনুষ্ঠিত হয়। শিৱসাগৰ, যোৰহাট, ডিব্ৰুগড়, গোলাঘাট, ধেমাজি, লখিমপুৰ আদি জিলাত ইছলাম ধৰ্মাৱলম্বী লোকসকলে ঈদগাহ ময়দানত সমূহীয়া নামাজত অংশগ্ৰহণ কৰে। গুৱাহাটীৰ গাড়ীগাঁও ঈদগাহ ময়দান, জালুকাৰী, মাছখোৱা, ইছলামপুৰ, হাতীগাঁও-শিজুবাৰী ইদগাহ, পাঞ্জাবাৰী, দক্ষিণগাঁৱকে ধৰি বিভিন্ন ঈদগাহ-মছজিদসমূহত নামাজ অনুষ্ঠিত হয়। নৰগিৰি জামে মছজিদতো  ঈদ-উল-ফিটৰৰ সমূহীয়া নামাজ অনুষ্ঠিত হয়। গোৱালপাৰা জিলাৰো বিভিন্ন স্থানত পুৱাৰে পৰা ঈদৰ সমূহীয়া নামাজ অনুষ্ঠিত হৈছে। শিলচৰ চহৰৰ মূল ঈদগাহ, ইটখোলা ঈদগাহতো সমূহীয়া নামাজ পঢ়া হয়। চিৰাং জিলাৰ বিভিন্ন ঈদগাহ ময়দান আৰু মছজিদত সমূহীয়া নামাজৰ জৰিয়তে বিশ্ব শান্তিৰ  কামনা কৰা হয়। শ্ৰীভূমি জিলাৰ ঐতিহাসিক কৰিমগঞ্জ নগৰ ঈদগাহ ময়দানত আজি পুৱাই এক অনন্য ধৰ্মীয় পৰিৱেশৰ সৃষ্টি হয় আৰু গাম্ভীৰ্যপূৰ্ণ ধৰ্মীয় ভাব তথা শৃংখলাৰ মাজেৰে ঈদৰ নামাজ অনুষ্ঠিত কৰা হয়। বৰপেটা জিলাৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলে আজি উলহ-মালহেৰে ঈদ-উল-ফিতৰ উদযাপন কৰিছে। ধুবুৰী জিলাৰ ১১ নম্বৰ ৱাৰ্ডৰ ঈদ গাহ ময়দানত প্ৰায় ১০ হাজাৰ লোক সমবেত হয় ঈদৰ নামাজত অংশগ্ৰহণ কৰে। বাহাদুৰটাৰীৰ জামে মছজিদত ঐক্য, ভাতৃত্ববোধ আৰু শান্তিৰ বাবে প্ৰাৰ্থন কৰা হয়। প্ৰতিকূল বতৰৰ মাজতো ঈদগাহ ময়দানসমূহত সমূহীয়া নামাজ অনুষ্ঠিত হয়। এই নামাজৰ জৰিয়তে বিশ্ব শান্তি আৰু সমাজৰ সকলো লোকৰ মাজত একতা আৰু ভাতৃত্ব বোধৰ বান্ধোন অধিক সুদৃঢ় হোৱাৰ বাবে প্ৰাৰ্থনা কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সমগ্ৰ দেশৱাসীক ঈদ-উল-ফিটৰৰ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে এই উৎসৱে আত্মসংযম, সেৱা আৰু দৰিদ্ৰ তথা অৱহেলিত লোকসকলৰ প্ৰতি সহানুভূতিৰ বাৰ্তা প্ৰেৰণ কৰে। এই উৎসৱে প্ৰেম, ভাতৃত্ব আৰু শান্তিৰ বাৰ্তাও প্ৰেৰণ কৰে বুলি তেওঁ কয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমৰ জৰিয়তে দেশৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলক ঈদ-উল-ফিটৰৰ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয়, যে এই উৎসৱে দেশৰ জনসাধাৰণৰ মাজত প্ৰেম আৰু ভাতৃত্ববোধৰ ভাৱৰ সঞ্চাৰ কৰিব।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাইয়ো ঈদ-উল-ফিটৰ উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীবিৰলাই এই পৱিত্ৰ উৎসৱে সকলোৰে বাবে সুখ, শান্তি আৰু সমৃদ্ধি কঢ়িয়াই আনিব বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো ৰাজ্যবাসীলৈ  ঈদৰ শুভেচ্ছা জনাইছে।

ooooo

ডমিনিকান ৰিপাব্লিকত আয়োজিত অনলাইন বিশ্ব কবিতা মহোৎসৱত আজি অসমৰ ছগৰাকী বিশিষ্ট কবিয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰাৰ লগতে আৰ্জেণ্টিনাৰ ৰাজধানী চহৰ বুয়েন্সছ আয়াৰ্ছৰ পৰা অবিৰত ২৪ ঘণ্টা জুৰি সম্প্ৰচাৰ কৰা হৈছে। মহোৎসৱত অসমৰ ছগৰাকী কবিৰ কবিতা

আধাঘণ্টাৰ বাবে সম্প্ৰচাৰ কৰা হয়। বিশিষ্ট কবি ৰাজীৱ বৰুৱাই অসমীয়া ভাষাৰ সমন্বয়ক হিচাপে অংশ লোৱা এই মহোৎসৱত ড০ লুটফা হানুম ছেলিমা বেগম, ৰাজীৱ বৰুৱা, ড০ এম কামালুদ্দিন আদমেদ, কুশল দত্ত, বৰ্ণালী বৰগোহাঁই আৰু ড০ বিজয় শংকৰ বৰ্মনে অসমক প্ৰতিনিধিত্ব কৰে। এই সন্দৰ্ভত কবি ৰাজীৱ বৰুৱাই এইদৰে কয়-

বাইট (ৰাজীৱ বৰুৱা)

বিশ্বৰ বিভিন্ন দেশৰ কবিসকল একেখন মঞ্চত সমৱেত হোৱা এই মহোৎসৱৰ পঞ্চম সংস্কৰণৰ বিষয় হৈছে- বিশ্বৰ বাবে ন্যায় আৰু সৌন্দৰ্য। ৫২ খন দেশৰ ৪৯ টা ভাষিক আৰু অন্য গোটৰ ৩৮৪ গৰাকী কবিয়ে এই অনুষ্ঠানত অংশ লৈছে। আজি দিনৰ ১ বজাৰ পৰা অসমৰ কবিসকলৰ কবিতা ফে'ইচবুক, ইউটিউব আৰু অন্যান্য মাধ্যমযোগে প্ৰচাৰ কৰা হয়। উল্লেখযোগ্য যে বিভিন্ন ভাষা, সংস্কৃতি আৰু মহাদেশৰ মাজত মানৱীয় সমন্বয় আৰু সম্প্ৰীতিৰ মনোভাৱ বিকশাই তোলাৰ লগতে কবিতাক ইতিবাচক শক্তিৰ আধাৰ হিচাপে পৰিগণিত কৰাৰ বাবে এই মহোৎসৱৰ আয়োজন কৰা হৈছে।

ooooo

ৰাজ্যবাসীয়ে আজি কুশল কোঁৱৰৰ জন্মবাৰ্ষিকী উপলক্ষে শ্বহীদগৰাকীক শ্ৰদ্ধাৰে সুঁৱৰিছে। ১৯০৫ চনৰ আজিৰ দিনটোতে তেওঁ গোলাঘাট জিলাৰ চাওদাং চাৰিআলিত জন্মগ্ৰহণ কৰিছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত গোলাঘাট জিলাৰ সৰুপথাৰত ৰে'ল দুৰ্ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত স্বাধীনতা সংগ্ৰামীগৰাকীক গ্ৰেপ্তাৰ কৰি মৃত্যুদণ্ডৰ হুকুম দিয়া হৈছিল। ১৯৪৩ চনৰ ১৫ জুনত কুশল কোঁৱৰক ফাঁচী দিয়া হৈছিল। অহিংস নীতিৰে স্বাধীনতা আন্দোলনত যোগ দিয়া সেনানীগৰাকীয়ে গোলাঘাট জিলা কংগ্ৰেছৰ সম্পাদকৰ দায়িত্বও পালন কৰিছিল।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে জন্মবাৰ্ষিকী উপলক্ষে আজি শ্বহীদগৰাকীক শ্ৰদ্ধাৰে সোঁৱৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই তেওঁৰ বাৰ্তাত কয় যে কুশল কোঁৱৰ অকল এগৰাকী স্বাধীনতা সংগ্ৰামীয়েই নহয়, বৰং সত্য, অহিংসা আৰু আত্মবলিদানৰ প্ৰতীক। মহান স্বাধীনতা সংগ্ৰামীগৰাকীয়ে দেশপ্ৰেম মানে ত্যাগ বুলি শিকাই থৈ যোৱা বুলি মন্তব্য কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে সত্য, সততা আৰু অহিংসাৰ পথত অটল বিশ্বাস ৰাখি হাঁহিমুখে জীৱন উৎসৰ্গা কৰা কুশল কোঁৱৰৰ আদৰ্শ, স্বদেশ প্ৰেম আৰু আত্মবলিদান সকলোৰে বাবে প্ৰেৰণাৰ উৎস হৈ ৰ'ব।

ooooo

অহা ৯ এপ্ৰিলত অসমত বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পাছতে ভাৰতীয় নিৰ্বাচন আয়োগে নিৰ্বাচনী প্ৰচাৰৰ ক্ষেত্ৰত কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। বিশেষকৈ সামাজিক মাধ্যমৰ জৰিয়তে চলা প্ৰচাৰ আৰু ভুৱা বাতৰি ৰোধ কৰিবলৈ নিৰ্বাচন আয়োগে বিশেষ তৎপৰতা প্ৰদৰ্শন কৰিছে। আয়োগে স্পষ্ট কৰি দিছে যে কোনো ৰাজনৈতিক দল বা প্ৰাৰ্থীয়ে টি ভি, ৰেডিঅ', ই-পেপাৰ, বাল্ক এছ এম এছ আৰু কোনো সামাজিক মাধ্যমৰ জৰিয়তে বিজ্ঞাপন প্ৰকাশ কৰাৰ পূৰ্বে মিডিয়া চাৰ্টিফিকেচন এণ্ড মণিটৰিং কমিটী- এম চি এম চিৰ পৰা আগতীয়াকৈ অনুমতি লোৱাটো বাধ্যতামূলক। এই নিৰ্দেশ উলংঘা কৰিলে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও জানিবলৈ দিয়া হৈছে। বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰতিগৰাকী প্ৰাৰ্থীয়ে এতিয়াৰেপৰা মনোনয়ন দাখিল কৰাৰ সময়ত তেওঁলোকৰ ব্যৱহৃত প্ৰতিটো সামাজিক মাধ্যমৰ একাউণ্টৰ সঠিক তথ্য শপতনামাত উল্লেখ

কৰিব লাগিব। প্ৰাৰ্থীসকলৰ অনলাইন কাৰ্যকলাপৰ ওপৰত নজৰ ৰখা আৰু ভুৱা প্ৰচাৰ বন্ধ কৰাৰ বাবে নিৰ্বাচন আয়োগে এই ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰ্বাচনৰ সময়ত সামাজিক মাধ্যমত বিয়পি পৰা ভুৱা বাতৰি আৰু পেইড নিউজ ৰোধ কৰিবলৈ জিলা পৰ্যায়ত এম চি এম চি এই ২৪ ঘণ্টা চকু ৰাখিব।

ooooo

ফ্ৰান্সত চলি থকা অৰ্লেন্স মাষ্টাৰ্ছৰ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ খন্তেক পাছতে হ'বলগীয়া এখন ছেমি ফাইনেলত অসমৰ ঈষাৰাণী বৰুৱাই থাইলেণ্ডৰ পিটচামন অপাটনিপুথৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ঈষাৰাণীয়ে কোৱাৰ্টাৰ ফাইনেলত মালৱিকা বানছুড়ক ২১-৯, ১৫-৭ গেমত পৰাস্ত কৰি চেমি ফাইনেলত স্থান নিশ্চিত কৰে।

ooooo

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি **অসম বিধানসভা নিৰ্বাচন-২০২৬** শীৰ্ষক এটা আলোচনা প্ৰচাৰ কৰিবলৈ লোৱা হৈছে। অনুষ্ঠানত বিজেপিৰ মুখপাত্ৰ ৰঞ্জীৱ কুমাৰ শৰ্মা আৰু কংগ্ৰেছৰ মুখপাত্ৰ ৰূপক দাস অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত আকাশবাণীৰ কেইবাখনো জিলাৰ সংবাদদাতাই পোনপটীয়াকৈ অংশ লৈ সংশ্লিষ্ট জিলাসমূহৰ নিৰ্বাচনী প্ৰস্তুতি আৰু পৰিবেশ সম্পৰ্কে অৱগত কৰিব। অনুষ্ঠানৰ আঁত ধৰিব অৰূপ কুমাৰ শৰ্মা আৰু অৰুণিমা গোস্বামীয়ে।

ooooo

দৰং জিলাৰ মঙলদৈৰ নিকটৱৰ্তী জলজলি গাঁও নিবাসী আদৰ্শ কৃষক তথা অসম আন্দোলনৰ সক্ৰিয় কৰ্মী অতুল চহৰীয়াৰ যোৱা নিশা গুৱাহাটীৰ এখন চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৩ বছৰ। চহৰীয়াৰ মৃত্যুত স্থানীয় দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু নাগৰিক সমাজে গভীৰ শোক প্ৰকাশ কৰে।

ooooo

সমাপ্ত